ৰাজনীতি

আজম খানক পুনৰ জে'ললৈ পঠিওৱাৰ আবেদন নাকচ উচ্চতম ন্যায়ালয়ৰ; অন্তৰ্বর্তী জামিনত হস্তক্ষেপ নকৰিলে আদালতে

ধন সৰবৰাহৰ গোচৰত আজম খানক পুনৰ কাৰাগাৰলৈ পঠিওৱাৰ ইডিৰ আবেদন গ্রহণ নকৰিলে সর্বোচ্চ ন্যায়ালয়ে।

প্রকাশ: ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫২



Azam Khan (SOCIAL MEDIA)

নতুন দিল্লী, ১৯ নৱেম্বৰ: সমাজবাদী পার্টিৰ জ্যেষ্ঠ নেতা আজম খানক পুনৰ কাৰাগাৰলৈ পঠিওৱাৰ বাবে প্রৱর্তন সঞ্চালকালয়ৰ চমুকৈ ইডিয়ে কৰা আবেদনত হস্তক্ষেপ কৰিবলৈ অস্বীকাৰ কৰিছে সর্বোচ্চ ন্যায়ালয়ে। ধন সৰবৰাহৰ গোচৰত এলাহাবাদ উচ্চ ন্যায়ালয়ে প্রদান কৰা অন্তৰ্বর্তী জামিন বাহাল ৰাখি বৃহস্পতিবাৰে আদালতে

এই সিদ্ধান্ত দিয়ে।

ন্যায়াধীশ এম এম সুন্দ্রেশ আৰু ন্যায়াধীশ প্রসন্ন বি বাৰালেৰে গঠিত বিচাৰপীঠে ইডিৰ আবেদন গ্রহণ কৰিবলৈ অস্বীকাৰ কৰে। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ অন্তৰতী জামিনৰ নির্দেশ স্থগিত ৰাখিবলৈ কেন্দ্রীয় তদন্তকাৰী সংস্থাটোৱে আবেদন জনাইছিল।

আদালতে স্পষ্ট কৰে যে জামিন প্রদানৰ সময়ত উচ্চ ন্যায়ালয়ে কৰা পর্যবেক্ষণসমূহে গোচৰটোৰ চূড়ান্ত বিচাৰত কোনো প্রভাৱ পেলাব নালাগে। এই পর্যায়ত দুয়োপক্ষৰ দাবীৰ সত্যাসত্য নির্ণয় কৰিবলৈও বিচাৰপীঠে অস্বীকাৰ কৰে। উচ্চ ন্যায়ালয়ৰ পর্যবেক্ষণসমূহ প্রাথমিক পর্যায়ৰ বুলি উল্লেখ কৰি আদালতে কয় যে, চূড়ান্ত সিদ্ধান্তৰ সময়ত সেইবোৰ বিবেচনাত লোৱা উচিত নহ'ব।

শুনানিত ইডিৰ হৈ উপস্থিত অতিৰিক্ত ছলিচিটৰ জেনেৰেল এছ ভি ৰাজুৱে দাবী কৰে যে, আজম খানক গ্রেপ্তাৰৰ কাৰণসমূহ লিখিতভাৱে দিয়া হৈছিল। কিন্তু তেওঁ সেই নথি গ্রহণ কৰিবলৈ অস্বীকাৰ কৰিছিল বুলি ৰাজুৱে কয়। এই দাবীৰ সমর্থনত ইডিৰ হাতত ভিডিঅ' ফুটেজ আৰু পঞ্চনামা আছে বুলিও তেওঁ জনায়। উচ্চ ন্যায়ালয়ৰ নির্দেশত কিছুমান তথ্য ভুলকৈ লিপিবদ্ধ কৰা হৈছে বুলিও তেওঁ আপত্তি উত্থাপন কৰে।

আদালতে লগতে কয় যে, উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ উদ্দেশ্যক লৈ কোনো ধৰণৰ সন্দেহ প্রকাশ কৰিব নোৱাৰি।

উল্লেখ্য যে, ১৭ নৱেম্বৰত এলাহাবাদ উচ্চ ন্যায়ালয়ে আজম খানক অন্তৰতী জামিন প্রদান কৰিছিল। গ্রেপ্তাৰৰ সময়ত সংবিধানৰ ২২(১) অনুচ্ছেদ আৰু ধন সৰবৰাহ প্রতিৰোধ আইনৰ ১৯নং ধাৰাত থকা বাধ্যতামূলক সুৰক্ষা ব্যৱস্থাসমূহ ইডিয়ে যথাযথভাৱে পালন কৰা নাছিল বুলি উচ্চ ন্যায়ালয়ে প্রাথমিকভাৱে পর্যবেক্ষণ কৰিছিল।

৩১ অক্টোবৰত আন এটা জালিয়াতিৰ গোচৰত জামিন লাভ কৰি ৰামপুৰ জিলা কাৰাগাৰৰ পৰা ওলাই অহাৰ কিছু সময়ৰ পাছতে ইডিয়ে আজম খানক গ্রেপ্তাৰ কৰিছিল। গ্রেপ্তাৰৰ সময় আৰু পৰিস্থিতিক লৈ প্রশ্ন উত্থাপন কৰি উচ্চ ন্যায়ালয়ে এই প্রক্রিয়াক উদ্দেশ্যপ্রণোদিত আৰু অসৎ উদ্দেশ্যৰে পৰিচালিত বুলি প্রাথমিকভাৱে মন্তব্য কৰিছিল।

অন্তৰতী জামিন লাভ কৰাৰ পাছত বুধবাৰে সন্ধিয়া ৭৮ বছৰীয়া আজম খান গাজিয়াবাদৰ ডাছনা কাৰাগাৰৰ পৰা মুকলি হয়। সমাজবাদী পার্টিৰ মুৰব্বী অখিলেশ যাদৱে তেওঁৰ মুক্তিক সত্যৰ জয় বুলি অভিহিত কৰি ন্যায় ব্যৱস্থাৰ ওপৰত আস্থা প্রকাশ কৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4383/azam-khan-interim-bail-supreme-court